- Adolescent language (কৈশোৰ কালত ভাষাৰ বিকাশ) -

শৈশৱৰ বাল্যকালত শিশুৱে ভাষা ব্যৱহাৰৰ, কথা কোৱাৰ কৌশল আয়ত্ত কৰে যদিও কৈশোৰ কালত সৌজন্যতা ৰক্ষা কৰি, অৰ্জিত ভাষাৰে কথোপকথন কৰিবলৈ সক্ষম হয়। বয়স বঢ়াৰ লগে লগে বিভিন্ন বিষয়ৰ ওপৰত কিতাপ - আলোচনী পাঠ কৰাৰ ফলে শব্দভাণ্ডাৰ (vocabulary) বাঢ়ি গৈ থাকে। অৱশ্যে ইয়াত ব্যক্তি বিশেষে পাৰ্থক্য দেখিবলৈ পোৱা যায়। Owner (1996) মত প্ৰকাশ কৰিছে যে এজন ১৬ ৰ পৰা ১৮ বছৰ বয়সৰ কিশোৰে প্ৰায় আশী হাজাৰ (80,000) শব্দ জমা কৰিব পাৰে।

কিশোৰ - কিশোৰীসকলে চিন্তা, যুক্তি কৰিব পৰা হয় কাৰণে কোনো এটা বিষয় বিশেষকৈ যেনে - ন্যায় অন্যায়, স্বাধীনতা, প্ৰেম - ভালপোৱা ইত্যাদি আলোচনাত ভাগ ল'ব পাৰে আৰু সুন্দৰকৈ বৰ্ণনা, সংজ্ঞা দিব পৰা হয়। কৈশোৰ কালত কিছুমান শব্দ যেনে - যিয়েই নহওক বা যিকোনো উপায়ে (Anyway), যি হওক, যিদৰে হওক বা তথাপিও (However), অন্যথা বা আন অৱস্থাত বা বিকল্প (otherwise), সম্ভাব্য বা সম্ভৱপৰ (Probably), প্ৰকৃততে বা বাস্তৱতে বা নিশ্চয় (Really), সেইহেতুকে বা সেয়েহে বা গতিকে (Therefore) আদি শব্দবোৰ সঘনাই ব্যৱহাৰ কৰে। কোনো যুক্তি প্ৰকাশ

কৰোঁতে, আলোচনাত ভাগ লওঁতে, কিশোৰ-কিশোৰীসকলে শব্দ ব্যৱহাৰ কৰোঁতে বেছি সজাগ হয় আৰু বহু অৰ্থ থকা বা বুজোৱা (Multiple Meaning) শব্দ ব্যৱহাৰ কৰি আনন্দ লাভ কৰে যেনে- উপহাস বা ব্যঙ্গ-বিদ্ৰূপ (Irony), উপমা (Metaphor), হাস্য বা কথাৰে বাগলি কটা (Puns) আদি।

সামাজিক পৰিপ্ৰেক্ষিতত কিশোৰ-কিশোৰীসকলে আনৰ দৃষ্টিভংগী বা মতামত (view) বুজাত যথেষ্ট নিপুণ হয় আৰু সেইমতে বা অনুসাৰে কথা কয় বা নিজৰ ভাৱ প্ৰকাশ কৰে। তেওঁলোকে জানে এই ক্ষমতাৰ বৰ প্ৰয়োজন কোনো আলোচনা বা কথোপকথনত ভাগ লʼবৰ বাবে।

কিশোৰ-কিশোৰীসকলে বয়োজ্যেষ্ঠজনৰ লগত কথা-বতৰা হওঁতে বেছি সজাগ হয় আৰু লগৰ সমনীয়াৰ সৈতে বেলেগ বেলেগ ভাষাত কথোপকথন হয় বা কথা-বাৰ্তা পাতে।

ইয়াৰউপৰিও লগৰ সমনীয়াৰ লগত কথোপকথন হওঁতে অশ্লীল শব্দ (Slang word) ব্যৱহাৰ কৰাও দেখা যায়। কৈশোৰকালত তেওঁলোকে নিজকে পিতৃ-মাতৃ, জ্যেষ্ঠজনৰ পৰা যে 'পৃথক' আৰু 'স্বাধীন' সেইটো বুজাবৰ বাবে কেতবোৰ বিবৃতি যেনে- ভয়লগা

বা অৱসম (Awesome) গীক (Geek) আদি দিবলৈ লয় আৰু নিজৰ ৰুচি-অভিৰুচি, মূল্যবোধ, পছন্দ আদি দিশবোৰ প্ৰকাশ কৰোঁতে নতুন নতুন শব্দৰ যোগোদ কৰে, কিয়নো এওঁলোকে নতুনকৈ শব্দৰ প্ৰয়োগ ক্ষমতা আয়ত্ত কৰিব পাৰা হয়।

এইদৰেই কৈশোৰ কালত কিশোৰ-কিশোৰীসকলৰ ভাষাৰ বিকাশ হ'বলৈ ধৰে।

—— x ——